সৰুপথাৰ মহাবিদ্যালয়

স্থাপিত ঃ ১৯৭০ চন

SARUPATHAR COLLEGE

# প্ৰতিবিম্ব ই-বাৰ্তা The Reflection

প্ৰথম বছৰ, নৱম সংখ্যা, ২০২৪, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।। প্ৰথম বছৰ, নৱম সংখ্যা।। মাহেকীয়া ই-বাৰ্তা, ৩০ নৱেম্বৰ, ২০২৪, শনিবাৰ

## ঐতিহ্যমণ্ডিত সৰুপথাৰ মহাবিদ্যালয়ৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা ঐতিহ্যমণ্ডিত সৰুপথাৰ মহাবিদ্যালয়ৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয় ১৪ নৱেম্বৰ, ২০২৪ তাৰিখে। প্ৰতিষ্ঠা দিৱসৰ পুৱা এন এছ এছ গোট, ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ উদ্যোগত মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰা হয়। দিনৰ ১০ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি সুবক্তা নয়নমণি ৰাজখোৱাই "দৈয়াং-ধনশিৰিৰ ঐতিহ্য" সম্পৰ্কীয় এটা বক্তৃতা প্ৰদান কৰে।





প্ৰতিষ্ঠা দিৱসৰ দিনাই ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক সপ্তাহৰ উপলক্ষে লগতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ১৪ নৱেম্বৰৰ পৰা ২০ নৱেম্বৰলৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত এখনি গ্ৰন্থ প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছিল। সন্ধিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী লগতে স্থানীয় ৰাইজৰ সহযোগত মহাবিদ্যালয় চৌহদত বন্তি প্ৰজ্বলন কৰা হয়। বন্তি প্ৰজ্বলন অনুষ্ঠানত উপস্থিত থাকে সৰুপথাৰ সমষ্টিৰ সন্মানীয় বিধায়ক বিশ্বজিৎ ফুকন। এনেদৰেই উদযাপন কৰা হ'ল সৰুপথাৰ মহাবিদ্যালয়ৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস।■

## "সামাজিক সমন্বয় সাধনত শঙ্কৰদেৱৰ ভক্তিধৰ্ম আৰু দৰ্শন" শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ অনুষ্ঠিত




অসমীয়া ভাষাৰ ধ্ৰুপদী স্বীকৃতিৰ গৌৰৱময় ক্ষণত সৰুপথাৰ মহাবিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত, সামাজিক উন্নয়ন ফ'ৰাম (SDF) আৰু মহাবিদ্যালয় আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত ১১ আৰু ১২ নৱেম্বৰ ২০২৪ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হয়। *"সামাজিক সমন্বয় সাধনত শংকৰদেৱৰ ভক্তিধৰ্ম আন্দোলন আৰু দৰ্শন"* বিষয়ক আলোচনা চক্ৰখনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট গৱেষক, অসম ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু প্ৰচাৰ মাধ্যমৰ ডিন ড° প্ৰদীপ জ্যোতি মহন্ত, পশ্চিম বংগৰ শান্তি নিকেতন ভাষা-ভাৱনাৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° সংগীতা শইকীয়া আৰু গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° জ্যোতিৰ্ময়ী ভট্টাচাৰ্য্য। মহাবিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক ড° ৰবিতা দত্তই আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে।

উদ্বোধনী অনুষ্ঠানত নুমলীগড় শোধনাগাৰৰ মহা প্ৰবন্ধক ড° কাজল শইকীয়া, 'ছ'চিয়েল ডেভেলপমেন্ট ফ'ৰাম'ৰ সম্পাদক শ্ৰী ধ্ৰুৱজ্যোতি বৰা, উপদেষ্টা হেমন্ত শইকীয়া আৰু অন্যান্য কৰ্মচাৰীসকল। আলোচনা সত্ৰৰ বীজ ভাষণ প্ৰদান কৰে অধ্যাপক ড° প্ৰদীপ জ্যোতি মহন্তই। মুখ্য অতিথিৰ ভাষণত অসমীয়া ধ্ৰুপদী ভাষাৰ প্ৰবাহমানতাত শংকৰদেৱৰ অৱদান সম্পৰ্কত আলোচনা আগবঢ়ায় অধ্যাপক ড° সংগীতা শইকীয়াই। বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা অহা ভালে সংখ্যক গৱেষকে এই দুয়োটি দিনত নিজৰ গৱেষণা-পত্ৰ পাঠ কৰে। ■

## সৌন্দৰ্য চৰ্চা পাঠ্যক্ৰমৰ প্ৰমাণ-পত্ৰ প্ৰদান

৮ আগষ্ট, ২০২৪ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ মহিলা-কোষৰ উদ্যোগত গভীৰ প্ৰত্যাশাৰে তিনিমহীয়া "Foundation on rupcharcha" শীৰ্ষক এটি সৌন্দৰ্য্য বিশেষজ্ঞৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল। এইক্ষেত্ৰত মহাবিদ্যালয়লৈ সহায় কৰিবলৈ আগবাঢ়ি আহিছিল অভিজ্ঞ প্ৰশিক্ষক ৰুণু কোঁৱৰ বাইদেউ। সম্পূৰ্ণ তিনিমাহৰ প্ৰশিক্ষণ সফলতাৰে সমাপ্ত কৰা ১৪ গৰাকী প্ৰশিক্ষাৰ্থীক যোৱা ১৪ নৱেম্বৰ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি সাফল্যৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। ■

## সৰুপথাৰ মহাবিদ্যালয়ৰ তাঁতশালত গামোচা



সৰুপথাৰ মহাবিদ্যালয়ৰ এক নৱতম সংযোজন 'আনন্দ কুটীৰ' (কেঁচা মাটিৰ ঘৰ)। ২০ নৱেম্বৰৰ পৰা মহাবিদ্যালয়ৰ 'আনন্দ কুটীৰ'ত তাঁতশাল পাতি আৰম্ভ কৰা হৈছে এজুঁটি গামোচা। গ্ৰাম্য জীৱনৰ পৰা ক্ৰমাৎ বিলুপ্ত হোৱাৰ পথত কেঁচা মাটিৰ ঘৰ। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰৰ প্ৰচেষ্টাত মহাবিদ্যালয়ত অতীজৰ গ্ৰামাঞ্চলৰ মাদকতা 'আনন্দ কুটীৰ'ত লোৱাৰ এক ব্যতিক্ৰমী প্ৰয়াস। 'আনন্দ কুটীৰ'তেই তাঁতশাল পাতি আৰম্ভ কৰা হৈছে এজুঁটি গামোচা। পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰী তথা আগ্ৰহীসকলৰ বাবে মহাবিদ্যালয়ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি অধ্যক্ষই জানিবলৈ দিয়ে। এই ক্ষেত্ৰত সহযোগিতা আগবঢ়ায় সৰুপথাৰ অঞ্চলৰ ব্যক্তি শ্ৰী নৱ গগৈ। তেখেতৰ সহযোগিতাৰ বাবে মহাবিদ্যালয় পৰিয়ালে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ■

## মাণ্ডলিক পৰ্যায়ৰ ভলীবল প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ দল ২০২৪ বৰ্ষৰ বিজয়ী

২৯ নৱেম্বৰ, ২০২৪ তাৰিখে অসম কলেজ শিক্ষক সংস্থা, গোলাঘাট মণ্ডলৰ উদ্যোগত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃমহাবিদ্যালয় শিক্ষক-কৰ্মচাৰী ভলীবল প্ৰতিযোগিতাৰ ফাইনেল খেলত ফৰকাটিং মহাবিদ্যালয়ক পৰাস্ত কৰি সৰুপথাৰ মহাবিদ্যালয়ে ২০২৪ বৰ্ষৰ চেম্পিয়ন খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। ফাইনেল খেলখনত হেমন্ত গগৈ, ছেমি ফাইনেলত ড° প্ৰেমকান্ত বৰা, লীগ খেলত ড° ৰিদিপ খনিকৰ আৰু সত্যব্ৰত দত্তই man of the matchৰ স্বীকৃতি লাভ কৰে। ■

## ছাত্ৰ-ছাত্ৰীৰ সাফল্য

সৰুপথাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক ১ম বৰ্ষৰ ছাত্ৰী মামু বসুমতাৰীয়ে ১১ নৱেম্বৰৰ পৰা ১৫ নৱেম্বৰলৈ পটিয়ালাত অনুষ্ঠিত All India Inter Sai Weightlifting Championshipত ব্ৰঞ্জৰ পদক আৰু অসমীয়া বিভাগৰ ১ম ষান্মাসিকৰ ছাত্ৰী স্বস্তিকা গগৈয়ে ১৭ নৱেম্বৰত গুৱাহাটীত অনুষ্ঠিত '2nd Northeast All Style & 6th Assam State Martial Arts Championship'ত (Kung Fu) স্বৰ্ণপদক অৰ্জন কৰি শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। সমান্তৰালকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত গোলাঘাট মণ্ডলৰ বিজয়ী দল সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰসকলক ২০ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ বাইদেৱে সম্বৰ্ধনা জনায়। সমান্তৰালকৈ মহাবিদ্যালয়ৰ ছাত্ৰ সুৰেশ ওৰাঙক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ফুটবল দলৰ অন্তৰ্ভুক্ত কৰা হৈছে। মামু, স্বস্তিকা আৰু সুৰেশলৈ মহাবিদ্যালয়ৰ তৰফৰ পৰাও অভিনন্দন জনাইছে।■

## Students shine in Zonal Division Inter-College Football Tournament

Sarupathar College has proudly clinched victory in the Zonal Division Inter-College Football Tournament (Golaghat Zone), a remarkable achievement that highlights the dedication and talent of our athletes. Among these athletes, Suresh Urang, a brilliant goalkeeper and an esteemed cadet of the NCC, has particularly stood out. His exceptional performance throughout the tournament earned him a well-deserved opportunity to represent Dibrugarh University in the prestigious Inter-University Football Competition under the North East Zone. Suresh's remarkable goalkeeping skills not only helped secure the win for Sarupathar College but also captivated the attention of coaches and selectors, demonstrating his unwavering commitment and exceptional talent. This accomplishment is a true reflection of his hard work, discipline, and passion for the sport. Suresh's success brings immense pride to our college, as he continues to elevate Sarupathar College's reputation in the realm of inter-college sports and beyond, embodying the spirit of excellence and dedication. ■

# NCC cadets brings laurels in Special National Integration Camp

Sarupathar Collegeis immensely proud to announce that four dedicated cadets from Sarupathar College h successfully completed the prestigious NCC Marathon held on 17th November in Kokrajhar, as part of the Special National Integration Camp, which took place from 10th to 19th November. Their participation in this remarkable event not only highlights their personal resilience and discipline but also reflects the unwavering spirit of our college and NCC unit.The cadets, under Officer Tankeswar Rabhan and CQMS Suraj Roika, Cadet Goutam Boro, and Cadet Durlove Bora demonstrated exceptional dedication, teamwork, and perseverance throughout the camp, which was filled with rigorous activities and challenges. On 17th November, they completed the marathon, showcasing their endurance and commitment to the values of the NCC. Their accomplishment speaks volumes about their ability to rise above challenges and perform with excellence. Through their participation, they have become symbols of unity and national integration embodying the core values of the NCC. Their success in Kokrajhar has brought great recognition to our college, inspiring their peers to aim higher and strive for excellence in both academics and extracurricular activities. Their success not only brings pride to our college but also inspires future generations of students to pursue excellence in all aspects of life. Their remarkable accomplishment has added another proud chapter to our college's legacy. ■

# Commerce Department's Study Tour to Kaziranga National Park

As part of the practical learning initiative for the subject Tourism Management, the Department of Commerce, Sarupathar College, organized an educational study tour to Kaziranga National Park on 24th November 2024. The tour aimed to bridge theoretical concepts with real-world experiences, focusing on sustainable tourism, wildlife conservation, and cultural heritage. Students and faculty embarked on an early morning journey filled with excitement and anticipation. The first stop was the Kaziranga Interpretation Centre, where students explored Kaziranga's biodiversity, history, and conservation initiatives through interactive displays. This was followed by a thrilling jeep safari in the Kohora Range, offering close encounters with diverse wildlife, including the one-horned rhinoceros, Asiatic elephants, swamp deer, and various migratory bird species. An insightful session with forest officials provided students with valuable knowledge about park management, anti-poaching efforts, and the role of tourism in sustaining the ecosystem. On the return journey, the group visited the renowned Orchid Park near Kaziranga, which showcased Assam's rich floral diversity, including a wide variety of orchids, and featured traditional Assamese dance performances and local handicrafts. This blend of ecological and cultural exposure added depth to the learning experience. To ensure a reflective learning process, students were assigned the task of writing a detailed report on their experiences and insights from the tour. The study tour helped students reinforce classroom concepts such as eco-tourism, wildlife management, and cultural heritage tourism while fostering key skills like observation, teamwork, and communication. Many students expressed a newfound appreciation for sustainable tourism practices and an interest in careers in eco-tourism and heritage management.

The study tour to Kaziranga National Park and Orchid Park was a resounding success, demonstrating the value of experiential learning. It not only enhanced academic understanding but also inspired students to contribute meaningfully to the tourism industry. The Department of Commerce looks forward to organizing similar enriching initiatives in the future. ■

# New Venture of NCC: Wall Magazine inaugurated

On the auspicious occasion of NCC Day on 24th November,2024, the NCC wing of Sarupathar College proudly inaugurated its first-ever NCC Wall Magazine, a creative platform designed to showcase the experiences and learnings of cadets. The inaugural edition was themed "Camps in NCC", reflecting the spirit, camaraderie, and transformative impact of NCC camps on young cadets. The event was graced by the presence of the esteemed Principal of Sarupathar College, Dr. Prapti Thakur, who had the honour of inaugurating the Wall Magazine. The program commenced with an introduction to the concept of the magazine, followed by the ceremonial unveiling by Dr. Thakur. In her address, she lauded the NCC wing for their dedication and highlighted the significance of such initiatives in fostering creativity, leadership, and discipline among students. The occasion witnessed active participation from NCC officers, including Dr. Sanjay Rizal (CTO, NCC Boys), Ms. Anjali Yadav (CTO, NCC Girls), and Mr. Agni Chetri (NSS Program Officer). Their presence and words of encouragement added value to the event, emphasizing the importance of the NCC in shaping well-rounded individuals. The Wall Magazine beautifully captured the essence of NCC camps through cadet-contributed articles, artwork, and photographs. It brought to life their challenges, achievements, and valuable lessons learned during various training camps, effectively portraying the vibrant and disciplined journey of an NCC cadet. This initiative serves not only as a platform for expression but also as a source of inspiration for current and future cadets. It aims to encourage students to actively engage in NCC activities, instilling a sense of national pride and discipline. The inauguration concluded with a vote of thanks, expressing heartfelt gratitude to the principal, faculty members, and contributors for their unwavering support and encouragement. The event was a resounding success, marking a significant milestone in the history of Sarupathar College's NCC wing. ■

# News Capsules

## Webpage for College Library launched

Sarupathar College under the initiatives of Librarian Ms. Smita Chetia has launched a free website cum webpage on 27th November, 2024 for Sarupathar College library where readers can find any kind of library-related information, membership form, book requisition form, E-resources details etc.■

## Bhasa Gourav Saptah organized

Sarupathar College organized "Bhasa Gourav Saptah" from 3rd November, 2024 to 8th November, 2024 to mark the celebration of classical language recognition to Assamese language by Government of India recently. ■

## MRP to Dr. Rizal and Dr. Sutradhar

Dr. Sanjay Rizal (Project Director) and Dr. Pritom Sutradhar (Co- Project Director), faculty members of Commerce department have been awarded MRP from Indian Council of Social Science Research (ICSSR} to conduct Minor Research Project on the topic "Assessing the Role of the Jal Jeevan Mission in Empowering Women in Rural Assam". ■

## Career Counselling Programme organised

A Career Counseling Programme for HS First and Final Year students was organised by Royal Global University, Guwahatit in association with Sarupathar College on 27th November, 2024. A large number of students from HS First and Second Streams of both Arts and Commerce Streams participated in the programme.■

# News Capsules

## Bhasa Gourav Saptah organized

Sarupathar College organized "Bhasa Gourav Saptah" from 3rd November, 2024 to 8th November, 2024 to mark the celebration of classical language recognition to Assamese language by Govern - ment of India recently. ■

## Assistance to Cancer Patient

Sarupathar College NSS volunteers and teachers collectively contributed an amount of Rs. 5750- to the 4th stage Cancer patient Miss Tulona Sobor of Haldhibari village under Sarupathar Co-District on 7th November, 2024.■

## Special Campaign for new voters

A special .campaign for registration of new voters was organized by Golaghat Election District in Sarupathar College on 9th November,2024.■

## Book Review Competition organized by English department

A book review competition was organized on 14th November, 2024 as part of the celebration of 54th Foundation Day of Sarupathar College. Several students from both Arts and Commerce streams participated in the completion. In the competition Mr. Ranjan Sharma, Mr. Bishal Mazinder Boruah and Ms. Bhupali Bora obtained first, second and third positions respectively. ■

## Cleanliness drive carried out

The NSS volunteers of Sarupathar College carried out Cleanliness Drive in the college campus and around the Campus on the occasion of its celebration of 54th Foundation Day on 14th November,2024 . A total of 20 volunteers participated in the drive .■

## Book Exhibition held

Book Exhibition, a momentous event, was organized by the Book Club, Sarupathar College in collaboration with the Internal Quality Assurance Cell (IQAC), Sarupathar College from 14th to 20th November 2024, to commemorate National Library Week.





The exhibition was formally inaugurated by Dr. Prapti Thakur, who lit the lamp and cut the ribbon, assisted by Mr. Nayanmoni Rajkhowa. The event drew a diverse crowd including 35 students from Sarupathar Higher Secondary School, 4 students from Barpathar College, and all the faculties of Sarupathar College. Additionally, three faculties from JDSG College, local businessman Mr. Ajay Kanoi with his children, and other book enthusiasts attended the exhibition making it a grand success. The event provided a unique platform for book lovers to explore a wide range of literary works fostering a culture of reading and intellectual curiosity among the participants.■





সৰুপথাৰ মহাবিদ্যালয়ৰ তাঁতশালত গামোচা





সৰুপথাৰ মহাবিদ্যালয়ৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন







*'সামাজিক সমন্বয় সাধনত শংকৰদেৱৰ ভক্তিধৰ্ম আন্দোলন আৰু দৰ্শন'* বিষয়ক দুদিনীয়া কাৰ্যসূচীৰে এখনি আলোচনা চক্ৰখন অনুষ্ঠিত হয়।



সৌন্দৰ্য চৰ্চা পাঠ্যক্ৰমৰ প্ৰমাণ-পত্ৰ প্ৰদান





**Commerce Department's Study Tour to Kaziranga National Park**




Assistance to 4th stage Cancer patient Miss Tulona Sobor of Haldhibari village under Sarupathar Co-District







মাঙলিক পৰ্যায়ৰ ভলীবল প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয় ২০২৪ বৰ্ষৰ চেম্পিয়ন।









সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰী মামু বসুমতাৰী, স্বস্তিকা গগৈসহ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত গোলাঘাট মণ্ডলৰ বিজয়ী দল সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰসকলক ২০ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষই সম্বৰ্ধনা জনায়।

**প্ৰতিবিম্ব ই-বাৰ্তাৰ এই সংখ্যাৰ**
সম্পাদনা সমিতিঃ
উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
সম্পাদকঃ ড° অমৰ শইকীয়া
সম্পাদক (ইংৰাজী শাখা)ঃ প্ৰাঞ্জল দত্ত
সহঃ সম্পাদকঃ যুগল মেধি